# আলুৰ বীজ সংৰক্ষণৰ সহজ লভ্য উপায়

বছৰৰ সকলো সময়তে সকলোৰে প্ৰয়োজনীয় পাচলিবিধ হৈছে আলু। কম মাটিত অধিক উৎপাদনক্ষম লগতে বহুতৰপীয়া খেতিৰ বাবে উপযুক্ত চাৰিমহীয়া শস্যকালৰ আলু সকলো পৰ্যায়ৰ কৃষকৰ এক পচন্দৰ খেতি। ইউৰোপ হৈ দক্ষিণ আমেৰিকাৰ পৰা ভাৰতলৈ আলুসঁচ আনি প্ৰথমে খেতি কৰিবলৈ লোৱা হয় ১৬ শ শতিকাৰ প্ৰথম ভাগত। চিমলাত ১৯৪৯ চনত স্থাপিত কেন্দ্ৰীয় আলু গৱেষণা কেন্দ্ৰই উদ্ভাৱন কৰা উন্নত জাতৰ সুফল হিচাপে ভাৰতবৰ্ষত আলুৰ উৎপাদন উল্লেখনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰে। ২০০০-২০০১ বৰ্ষৰ তথ্যমতে, আমাৰ দেশত ১.৩৪ নিযুত হেক্টৰ মাটিত কৰা আলুখেতিৰ পৰা নিযুত টন আলুৰ উৎপাদন পোৱা গৈছিল। গড় হিচাপে প্ৰতি হেক্টৰত উৎপাদন আছিল ১৮.৬ টন। যদিওবা দেশৰ আলুৰ উৎপাদন যথেষ্ট বৃদ্ধি পাইছে তথাপি প্ৰতিজন ভাৰতীয়ই বছৰি জনমূৰি ১৪ কেজিলৈ আলু ভাগত পায়। এই পৰিমান বিশ্বৰ বহুতো দেশৰ তুলনাত কম। আলুৰ দৰে অধিক উৎপাদন ক্ষমতাযুক্ত আৰু উৎকৃষ্ট পুষ্টিগুণ সম্পন্ন পাচলিয়ে আমাৰ দৰে উন্নয়নশীল দেশৰ জনসাধাৰণৰ অপুষ্টি নিৰাময়ত প্ৰধান ভূমিকা ল'ব পাৰে। প্ৰতি ১০০ গ্ৰাম আলুত ২২.৬ গ্ৰাম শ্বেতসাৰ, ১১.৬ গ্ৰাম প্ৰ'টিন, যথেষ্ট পৰিমাণৰ ভিটামিন ছি আৰু কম পৰিমানে ভিটামিন এ, বি, স্নেহজাতীয় পদাৰ্থ আৰু খনিজ লৱন থাকে।

**আলু সংৰক্ষণৰ সমস্যা ঃ**

খেতি পথাৰত আলুৰ বিভিন্ন বেমাৰ-আজাৰ, অনিষ্টকাৰী কীট পতংগৰ সমস্যাৰ তুলনাত আলু চপোৱাৰ পিচত ভঁৰালত সংৰক্ষণ সমস্যাৰ বাবেহে আলু খেতিয়কসকলে প্ৰভুত লোকচান ভৰিব লগা হয়। অবতৰত গজালি ওলোৱা আৰু আলুৰ 'টিউবাৰমথ'ৰ আক্ৰমণ অসমত আলু সংৰক্ষণৰ প্ৰধান সমস্যা। শীতল ভঁৰালৰ অভাৱৰ হেতু এনে সমস্যা সমাধানৰ বাবে কৃষকে বিকল্প চিন্তা কৰিব লগা হয়।

অসমত সাধাৰণতে ফেব্ৰুৱাৰী-মাৰ্চ মাহত আলুখেতি চপোৱা হয়। এই সময়চোৱাত শীতৰ প্ৰকোপ ক্ৰমান্বয়ে কমি আহি তাপমাত্ৰা বৃদ্ধি পাবলৈ ধৰে। উষ্ণতা বঢ়াৰ লগে লগে আলুবোৰ গজালি ওলাবলৈ ধৰে বাবে বীজ হিচাপে আলু সংৰক্ষণ কৰাটো প্ৰধান সমস্যাৰূপে দেখা দিয়ে। ইয়াৰ ফলত খাদ্য হিচাপে বিক্ৰী কৰিবলৈও বহুসময়ত অসুবিধা হয়। গজালি ওলোৱাৰ পিচত আলুবোৰৰ ওজন কমে, শুকাই টোটোৰা পৰি যোৱা হেতু সতেজতা হ্ৰাস পায়, পচিবলৈ আৰম্ভ কৰাৰ ফলত বীজ হিচাপে আলুৰ মান গুনগতভাৱে হ্ৰাস পায়।

**আলু সংৰক্ষণৰ বাবে আৱশ্যকীয় পৰিবেশ ঃ**

আলু চপোৱাৰ পিচৰ পৰৱৰ্তী শস্যকাললৈ ভালদৰে ৰখাটো নিৰ্ভৰ কৰে কেনে স্থানত অৰ্থাৎ কেনেধৰণৰ ভঁৰালত সংৰক্ষণ কৰা হৈছে তাৰ ওপৰত। কাৰণ আলুৰ সঠিক সংৰক্ষণ প্ৰধানত ভঁৰালৰ ভিতৰৰ উষ্ণতাৰ ওপৰত নিৰ্ভৰশীল। বীজ হিচাপে আলুৰ সংৰক্ষণৰ বাবে ভঁৰালঘৰৰ উষ্ণতা ২-৫ ডিগ্ৰী ছেন্টিগ্ৰেড আৰু জলীয়া বাষ্পৰ পৰিমান শতকৰা ৯৫ ভাগ অথবা তাতকৈ অধিক হ'লে ভাল হয়। বজাৰত খাদ্য হিচাপে বিক্ৰীৰ বাবে ৰখা আলু সম্পূৰ্ণভাৱে অন্ধকাৰত ৰখা আৱশ্যক। শীতল ভঁৰালৰ সুবিধা নথকা আমাৰ দৰে ৰাজ্যৰ আলুখেতিয়কে ৫ ডিগ্ৰী ছেন্টিগ্ৰেড উষ্ণতাত আলু সংৰক্ষণ কৰাটো সম্ভৱ নহয়। তেনেক্ষেত্ৰত আংশিক পোহৰৰ আৰু বতাহ চলাচল কৰা ভঁৰালঘৰৰ আৱশ্যক হয়।

**আংশিক পোহৰৰ ভঁৰাল কেনেকৈ বনাব ঃ**

পৰম্পৰাগত পদ্ধতিৰে খেৰ আৰু বাঁহ ব্যৱহাৰ কৰি আলু সংৰক্ষণ ভঁৰালটো সাজিব পাৰি। চালখন খেৰৰ আৰু চাৰিওফালে বেৰবোৰ বাঁহৰ হ'ব লাগে। বতাহ ভালদৰে চলাচল কৰিবৰ বাবে ঘৰটোৰ ওপৰ অংশৰ বেৰবোৰ বাঁহৰ

জলনাৰে বনোৱা উচিত। ঘৰৰ কাষৰ বেছি ৰ'দ নপৰা ঠাইত গছৰ ছাঁত ঘৰটো সাজিব লাগে। আলুবোৰ পৰিপাটিকৈ মেলি থৈ মাজে সময়ে বেয়া আলুবোৰ বিচাৰি উলিওৱাৰ সুবিধাৰ বাবে ঘৰটোৰ ভিতৰত বাঁহৰ চাং বনোৱা প্ৰয়োজন।

**আলু সংৰক্ষণৰ অন্যতম সমস্যা 'টিউবাৰ মথ'**

আলুৰ বীজ সংৰক্ষণৰ প্ৰধান সমস্যাসমূহৰ ভিতৰত 'টিউবাৰ মথ' নামৰ 'পেষ্ট' (অনিষ্টকাৰী কীট) বিধ অন্যতম। অসমৰ বহু অঞ্চলত বিশেষকৈ লখিমপুৰ আৰু ধেমাজি জিলাত 'টিউবাৰ মথ'ৰ উপদ্ৰৱ বিগত কিছু বছৰৰ পৰা অধিক হোৱা পৰিলক্ষিত হৈছে। অসমত চ'ত-বহাগ (এপ্ৰিল) মাহৰ পৰা কাতি-আঘোন (নৱেম্বৰ) মাহ পৰ্য্যন্ত এইবিধ 'পেষ্ট'ৰ আক্ৰমণ অধিক পৰিলক্ষিত হয়। পথাৰৰ মাটিৰ ওপৰত ওলাই থকা পুৰঠ আলু অথবা চপোৱাৰ পিচত দম কৰি ৰখা আলুত পখিলাজাতীয় 'টিউবাৰ মথে' কণী পাৰে। এনে আক্ৰান্ত আলু ভঁৰালত জমা কৰি থোৱাৰ ফলত ৮-৯ টা জীৱন চক্ৰ ৭-৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা পোকবিধে ভঁৰালৰ অধিকাংশ আলু নষ্ট কৰি পেলায়। আলুগুটিবোৰৰ ভিতৰত সুৰংগ কৰি পলুবোৰ খাবলৈ ধৰে, পিচত বিভিন্ন বেমাৰৰ দ্বাৰা আক্ৰান্ত হৈ আলুবোৰ গেলিবলৈ আৰম্ভ কৰে।

**কেনেকৈ সংৰক্ষণ কৰিব ঃ**

- চপোৱাৰ পিচত পথাৰত দ'ম কৰি বেছি দিন নাৰাখিব।
- সম্পূৰ্ম পৈনত আলুবোৰহে বীজ হিচাপে সংৰক্ষণ কৰিব।
- পথাৰৰ সংগৃহীত আলুবোৰ দুই-এটা ৰ'দত শুকুৱাই এটা সপ্তাহ ছাঁ পৰা ঠাইত থৈ ভঁৰালত ৰাখিব লাগে। ৰ'দত দিয়াৰ সময়ত আলুৰ বাকলি অংশ যাতে ক'লা পৰি নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখিব।
- এক লিটাৰ পানীত ৩০ গ্ৰাম ব'ৰিক এছিদ মিহলাই (শতকাৰা ৩ ভাগ হিচাপত) প্ৰস্তুত কৰা মিশ্ৰণত আধাঘন্টাৰ বাবে বীজ হিচাপে সংৰক্ষণ কৰিব বিচৰা আলুবোৰ ডুবাই ৰাখি ঠাণ্ডা ঠাইত শুকুৱাই আগতে উল্লেখ কৰা ভঁৰালঘৰলৈ নিব লাগে। এনে ব্যৱস্থাই বেমাৰ প্ৰতিৰোধ কৰাত সহায় কৰে।
- ভঁৰালৰ চাঙত পাতলকৈ আলুবোৰ মেলি দি ঘাঁ লগা আলুবোৰ বাচি পেলাই দিব লাগে।
- মাজে সময়ে আলুবোৰ পৰীক্ষা কৰি গেলা আলু দেখিলে আতৰাই ৫ ভাগ শক্তিযুক্ত মালাথিয়ন নামৰ কীটনাশক গুৰি সমভাৱে চতিয়াব লাগে। 'ডাষ্টাৰ' নামৰ যন্ত্ৰেৰে চটিয়ালে ১ কুইন্টল আলুৰ বাবে ২০০ মাত্ৰ গ্ৰাম কীটনাশক প্ৰয়োজন।
- চাং অথবা মজিয়াখন জুলীয়া মালাথিয়ন ৫০ ই.চি. কীটনাশক ৪০ মি.লি. প্ৰতি লিটাৰ পানীত মিহলাই শোধন কৰি আলুবোৰ ৰাখিলে আলুৰ 'টিউবাৰ মথৰ' উপদ্ৰৱ বহুলাংশে কমাব পৰা যায়।
- মজিয়াত ৰখা আলুবোৰত উপৰোক্ত কীটনাশক মিশ্ৰনেৰে শোধন কৰি ২-৩ ছে.মি. শুকান বালি প্ৰলেপেৰে ঢাখি ৰাখিব পাৰিলে টিউবাৰ মথৰ দ্বাৰা নতুনকৈ আক্ৰান্ত হোৱাৰ সম্ভাৱনা কম থাকে।

উপৰোক্ত ব্যৱস্থাসমূহ পালন কৰিব পাৰিলে কৃষকসকলে সবল আৰু নিৰোগী আলুৰ বীজ সংৰক্ষণ কৰি আৰ্থিক লোকচানৰ পৰা হাত সাৰিবলৈ সক্ষম হ'ব বুলি আমি আশাবাদী।

*****

**(উৎস ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়, উত্তৰ লখিমপুৰ)**